জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৫/২০২১

# উচ্চ আৰু মাধ্যমিক শিক্ষা বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীৰ নিয়োগপত্ৰ প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত মাধ্যমিক আৰু উচ্চ শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত এক অনুষ্ঠানত মহাবিদ্যালয়ৰ ১৩০ গৰাকী সহকাৰী প্ৰৱক্তা, ১৬ গৰাকী তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী, ১৭ গৰাকী অনুকম্পামূলক আৰু ৮৮ খন প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৫৬০ গৰাকী শিক্ষকক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ চৰকাৰখনে স্বচ্ছ নিয়োগৰ ব্যৱস্থাৰে ৰাজ্যখনৰ উচ্চ আৰু মাধ্যমিক শিক্ষাখণ্ডৰ আমূল পৰিৱৰ্তনৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যখনৰ নৱ প্ৰজন্মই যাতে অপাৰদৰ্শী শিক্ষকৰ দ্বাৰা শিক্ষাদানেৰে নিজৰ উৎকৰ্ষ সাধনত ব্যাঘাতৰ সন্মুখীন নহয় তাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। সমাজত উচ্চ আদৰ্শ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত শিক্ষকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলে ৰিমছ্ (RIIMS) এপৰ জৰিয়তে কৰ্তব্যত উপস্থিতিৰ নিৰীক্ষণ ব্যৱস্থাত আপত্তি কৰাটো উচিত নহয় বুলি মন্তব্য কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে সমাজত নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাৰ উদাহৰণ দাঙি ধৰাৰ ক্ষেত্ৰত শিক্ষকসকলৰ যথেষ্ট কৰণীয় আছে।

ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যখনত আৰু অধিক বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় স্থাপনৰ দিশত পদক্ষেপ লৈ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ অনুসৰি মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীসমূহ পৃথক কৰাৰ দিশত পদক্ষেপ লৈ আছে। ইয়াৰ লগতে বিদ্যালয়সমূহত পৰ্যাপ্ত বিজ্ঞান শিক্ষক উপলব্ধ কৰোৱাটো নিশ্চিত কৰাৰ দিশতো পদক্ষেপ লৈ থকা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাষ্ট্ৰীয় শিক্ষা নীতি-২০২০ ৰ সৈতে সংগতি ৰাখি এই ক্ষেত্ৰত উৎকৰ্ষৰ নিদৰ্শন দাঙি ধৰা অন্যান্য ৰাজ্যসমূহৰ আৰ্হিলৈ পৰিগাঁথনি, শিক্ষনৰ পদ্ধতি (পেডাগোগি) আৰু পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব।

ৰাজ্যখনৰ উচ্চ মাধ্যমিক আৰু নিম্ন বুনিয়াদি শিক্ষাখণ্ডত পৰ্যাপ্ত পৰিমাণৰ শিক্ষক নিয়োগ কৰা হৈছে যদিও ইয়াৰ মানদণ্ড নিম্নগামী হৈছে বুলি উল্লেখ কৰি আগন্তুক বৰ্ষত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ পাৰদৰ্শিতা নিৰূপণৰ বাবে 'গুণোৎসৱ'ৰ আয়োজন কৰা হ'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে মহাবিদ্যালয়সমূহৰ শিক্ষক বাচনিৰ বাবে এক বিশেষ কেন্দ্ৰীয় নিয়োগ কমিটী গঠন কৰা হ'ব। তেওঁ লগতে কয় যে সকলো চৰকাৰী মহাবিদ্যালয়ে নেশ্বনেল এছেচমেণ্ট এণ্ড এক্ৰেডিটেশ্যন কাউন্সিল (NAAC)ৰ মূল্যাংকনৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ অন্যথা মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অন্যান্য শিক্ষক-

শিক্ষয়িত্ৰীসকলৰ দৰমহা কৰ্তনকে ধৰি অন্যান্য ব্যৱস্থা লোৱা হ'ব বুলিও তেওঁ কয়।

আজিৰ এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক মানৱ ডেকা, ৰাজ্য চৰকাৰৰ শিক্ষা উপদেষ্টা অধ্যাপক ড° ননীগোপাল মহন্তৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / বঃভাঃ**
**৩০-১১-২০২১**